জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১৩/২০২১

# ভূমি পূজনেৰে নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ শুভাৰম্ভ কৰিলে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে

## আমি ডিমা হাচাওৰ দ্ৰুত বিকাশ সুনিশ্চিত কৰিম ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ অক্টোবৰ ঃ** অসমত বিদ্যুৎ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি ভূমি পূজনেৰে অসম শক্তি উৎপাদন নিগম লিমিটেডৰ ১২০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ কাম-কাজৰ শুভাৰম্ভ কৰে।

উল্লেখ্য যে অসমত বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধিৰ লগতে প্ৰতিটো পৰিয়াললৈ যাতে বিদ্যুতৰ সেৱা উপলব্ধ কৰিব পৰা যায় সেই উদ্দেশ্যেৰে ভাৰত চৰকাৰে ১২০ মেগাৱাট জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে ২০২০ চনৰ ডিচেম্বৰত এছিয়ান ডেভেলপমেণ্ট বেংকৰ সৈতে ২৩১ নিযুত ডলাৰ ঋণ চুক্তিপত্ৰ স্বাক্ষৰ কৰে। কপিলী নৈৰ ওপৰত স্থাপন কৰিবলগীয়া এই 'ৰাণ অফ দ্য ৰিভাৰ' প্ৰকল্পটোৱে ২০২৫ চনৰ ভিতৰত প্ৰদূষিত নোহোৱা শক্তিৰ পৰা যোগান ধৰা বিদ্যুৎ ৪৯৬ গিগাৱাট ঘণ্টা (জিডাব্লিউএইচ) বৃদ্ধি কৰাত সহায় কৰিব আৰু ইয়াৰ ফলত গ্ৰীণ হাউচ গেছ নিৰ্গমন বছৰি ৩৬০,০০০ টন কাৰ্বন ডাই অক্সাইড হ্ৰাস কৰাত সহায় কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে ২০২৪ চনৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া এই প্ৰকল্পই প্ৰদূষিত নোহোৱা জলবিদুৎ উৎসৰ পৰা অসমত বিদ্যুৎ উৎপাদনৰ ক্ষমতা বৃদ্ধি কৰিব আৰু ৰাজ্যখনত বিদ্যুতৰ চাহিদা পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হ'ব। তেওঁ লগতে কয় যে এই প্ৰকল্পটোৰ জৰিয়তে উৎপাদিত সুলভ আৰু প্ৰদূষণৰ সমস্যা নথকা বিদ্যুৎ উৎপাদনে জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ লগতে ব্যৱসায়িক ক্ষেত্ৰখনৰ সম্প্ৰসাৰণ আৰু ৰাজ্যখনত নিয়োগৰ সুবিধা অধিক বৃদ্ধি কৰিব।

ৰাজ্যখনৰ বাহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প স্থাপনত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মুঠ ২২০০ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ বাবে ১৭০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰিছে আৰু এই প্ৰকল্পৰ পৰা হ'বলগীয়া আয়ৰ পুঁজি সম্পূৰ্ণৰূপে ডিমা হাচাওৰ উন্নয়নৰ বাবে ব্যৱহাৰ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ২০২৪ চনৰ জুন মাহৰ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত এল এণ্ড টিক এই কাম সম্পূৰ্ণ কৰাৰ বাবে আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত শক্তি মন্ত্ৰী বিমল বৰা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম

ৰংহাং প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে হাফলং তিনিআলিৰ পৰা নামনি হাফলঙলৈ ৯০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ উন্নয়ন আৰু সৰলীকৰণ কামৰ আধাৰশিলা স্থাপন কৰে। এছিয়ান ডেভেলপমেণ্ট বেংকৰ অৰ্থ সাহায্যপ্ৰাপ্ত আছাম ৰোড নেটৱৰ্ক ইমপ্ৰুভমেণ্ট প্ৰজেক্ট (এআৰএনআইপি)ৰ অধীনত বহনক্ষম আৰু স্থিতিস্থাপক আন্তঃগাঁথনি নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগক সহায় কৰি অসমত পথ পৰিবহণ ব্যৱস্থা অধিক সূচলতৰ কৰিব বিচৰা হৈছে।

অসম চৰকাৰৰ ধ্বজাবাহী আঁচনি 'অসম মালা' কাৰ্যসূচীৰ অধীনত বিভিন্ন উৎসৰ পৰা পুঁজি আহৰণ কৰি ৰাজ্যিক ঘাইপথ (এছ এইচ) আৰু গুৰুত্বপূৰ্ণ জিলা পথ (এম আৰ ডি) নেটৱৰ্কক অধিক শক্তিশালী কৰিব বিচৰা হৈছে। আছাম ৰোড নেটৱৰ্ক ইমপ্ৰুভমেণ্ট প্ৰজেক্টৰ জৰিয়তে ৩১৩ কিলোমিটাৰ ৰাজ্যৰ ৰাজ্যিক ঘাইপথ আৰু গুৰুত্বপূৰ্ণ জিলা পথৰ উন্নয়ন আৰু সৰলীকৰণ কৰাৰ লগতে ২০০ কিলোমিটাৰ পথ সুৰক্ষা উন্নয়নৰ দিশতো কাম কৰাৰ লক্ষ্য লোৱা হৈছে।

বাহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প ৰূপায়ণৰ জৰিয়তে ডিমা হাচাওৰ হাফলং, উমৰাংচু আৰু অন্যান্য অংশৰ পথ আন্তঃগাঁথনি অধিক শক্তিশালী হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ডিমা হাচাওৰ পথ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ৯০০ কোটি টকা ব্যয় কৰিব আৰু ২৫০ কোটি টকা ব্যয় সাপেক্ষে উমৰাংচু-লংকা পথ নিৰ্মাণৰ কাম অহা ৯ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি তোলা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ পাহাৰীয়া জিলাসমূহলৈ শান্তিপূৰ্ণ পৰিৱেশ উভতি আহিছে আৰু ইয়াত থকা সকলো উগ্ৰপন্থী সংগঠনে ৰাজ্য চৰকাৰৰ সৈতে শান্তি আলোচনাত মিলিত হৈছে। মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্যৰে সমৃদ্ধ ডিমা হাচাওৰ পৰ্যটনৰ সম্ভাৱনা অপৰিসীম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পথ যোগাযোগৰ আন্তঃগাঁথনিৰ শক্তিশালীকৰণে পৰ্যটকসকলক উপকৃত কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ গতিও ত্বৰান্বিত কৰি তুলিব।

**স্বাক্ষৰ / পুঃডেঃ**
**০৭-১০-২০২১**